জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৭৭১/২০২০

**তিনিচুকীয়াৰ বাৰেকুৰি গাঁৱত আয়োজিত বীৰ ৰাঘৱ মৰাণ দিৱস আৰু ঐতিহাসিক হাপজান বৰনামঘৰৰ ১২১ বছৰীয়া জয়ন্তীৰ মুকলি সভাত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে**

# বাৰেকুৰি গাঁৱত এটা পুথিভৰাল আৰু বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন স্থানত ৭ টাকৈ প্ৰেক্ষাগৃহ নিৰ্মাণৰ কথা ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

## সাধাৰণ খেতিয়কৰ সন্তান হৈও জাতীয় স্বাভিমান ৰক্ষাৰ বাবে সাহসিকতাৰে ওলাই অহা বীৰ ৰাঘৱ মৰাণৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মৰাণ জনগোষ্ঠীৰ নৱপ্ৰজন্মই বিশ্ব জয়ৰ বাবে বাট বুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ নৱেম্বৰ ঃ** ‘বীৰ ৰাঘৱ মৰাণ অসমৰ জাতীয় জীৱনৰ এক অন্যতম শক্তিশালী প্ৰবাদ পুৰুষ। সাধাৰণ খেতিয়কৰ সন্তান হৈও জাতীয় স্বাভিমান ৰক্ষাৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা এইগৰাকী মহান বীৰৰ উদাৰতা আৰু সাহসিকতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মৰাণ জনগোষ্ঠীৰ নতুন প্ৰজন্মই জনগোষ্ঠীটোক বিশ্বৰ ভিতৰতে এক অন্যতম শ্ৰেষ্ঠ জনগোষ্ঠীৰূপে প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিলেহে তেওঁৰ আত্মাই শান্তি লাভ কৰিব।’ আজি তিনিচুকীয়াৰ ন-মতাপুং অঞ্চলৰ বাৰেকুৰি গাঁৱত আয়োজিত ঐতিহাসিক মোৱামৰীয়া গণবিপ্লৱৰ প্ৰধান নেতা বীৰ ৰাঘৱ মৰাণ দিৱসৰ লগতে হাপজান বৰনামঘৰৰ ১২১ বছৰীয়া জয়ন্তী উদযাপন উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত, অসম মৰাণ সভাৰ উদ্যোগত, মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনৰ সহযোগত আৰু হাপজান বৰনামঘৰৰ ভকতবৃন্দৰ লগতে বাৰেকুৰিবাসীৰ আতিথ্যত আয়োজিত এই কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমন্বয়ৰ দ্বাৰাহে সমাজ শক্তিশালী হয়। আজি বাৰেকুৰি গাঁৱৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে একত্ৰিতভাৱে জাতীয় বীৰ ৰাঘৱ মৰাণ দিৱস আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰি অসমীয়া জাতিৰ সৌন্দৰ্য আৰু শক্তিক পুনৰবাৰ প্ৰতিফলিত কৰিলে। ১২১ বছৰ গৰকা হাপজান বৰনামঘৰে এক মহান আধ্যাত্মিক ঐতিহ্য বহন কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে আজি কিছু বছৰ পূৰ্বে এই বৰনামঘৰতে আঠু লৈ তেওঁ অসমবাসীৰ সুখ আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনাইছিল। এই নামঘৰৰ ভকত-বৈষ্ণৱবৃন্দৰ আশিসৰ লগতে অসমবাসীৰ মৰম আৰু আশীৰ্বাদত আজি তেওঁ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ ৩.৫০ কোটি লোকৰ সেৱা কৰাৰ সুযোগ লাভ কৰিছে বুলি

মন্তব্য কৰে। মৰাণ জনগোষ্ঠীক এক নিৰ্ভীক আৰু কৰ্মোদ্যমী জনগোষ্ঠী বুলি অভিহিত কৰি একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী পৃথিৱীত এই জনগোষ্ঠীটোক সৰ্বদিশতে স্ব-নিৰ্ভৰশীল কৰি বিশ্বজয়ৰ বাবে আগুৱাই নিবলৈ নৱ প্ৰজন্মক অধ্যয়নত গভীৰভাৱে মনোনিৱেশ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মৰাণ জনগোষ্ঠীক বৌদ্ধিক, শৈক্ষিক, ক্ৰীড়া, সাংস্কৃতিক আদি সকলো দিশত আগুৱাই নিয়াৰ বাবে চলাই অহা নিঃস্বাৰ্থ আৰু বিৰামহীন প্ৰয়াসৰ বাবে জনগোষ্ঠীটোৰ জাতীয় সংগঠনসমূহক ধন্যবাদ জ্ঞাপন কৰি অনাগত দিনতো এখন শক্তিশালী সমাজ গঢ়াৰ বাবে এইদৰে কাম কৰি যাবলৈ তেওঁ সকলোকে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ঐতিহাসিক এই বাৰেকুৰি অঞ্চলৰ এক বিশেষ ঐতিহ্য আছে। এই অঞ্চলটোৱে ৰাজ্যৰ বহু কেইগৰাকী দক্ষ ক্ৰীড়াবিদ জন্ম দিছে। সেয়েহে অঞ্চলটোৰ ক্ৰীড়াৰ অনুশীলনৰ পৰিৱেশ বৰ্তাই ৰাখিবলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে ৫০ লাখ টকা ব্যয়ৰে এখন ষ্টেডিয়াম নিৰ্মাণৰ ব্যৱস্থা কৰিছে। ভৱিষ্যতে এই দিশত প্ৰয়োজন অনুসাৰে অধিক পুঁজি আগবঢ়োৱা হ'ব বুলি তেওঁ ঘোষণা কৰে। ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত এই বৃহত্তৰ অঞ্চলটোৰ ৩১ টাকৈ নামঘৰলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে আৰ্থিক বৰঙনি প্ৰদান কৰাৰ লগতে ৮ কোটি টকা ব্যয়ৰে মথাউৰি নিৰ্মাণ আৰু ৩০ কোটিৰো অধিক পুঁজি ব্যয়ৰে বহুসংখ্যক ৰাস্তা-পদূলি নিৰ্মাণ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মৰাণ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ জৰিয়তে এই জনগোষ্ঠীটোৰ সৰ্বাংগীন আৰ্থ-সামাজিক বিকাশৰ বাবেও চৰকাৰে নিষ্ঠাৰে পদক্ষেপ লৈছে।

আজিৰ সভাত জনগোষ্ঠীটোৰ বিভিন্ন জাতীয় সংগঠনে মুখ্যমন্ত্ৰীৰ হাতত প্ৰদান কৰা স্মাৰকপত্ৰৰ জৰিয়তে বীৰ ৰাঘৱ মৰাণ দিৱসৰ দিনটোক ৰাজ্যিক বন্ধ হিচাপে ঘোষণা কৰাৰ দাবীৰ প্ৰতি ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলিও তেওঁ উল্লেখ কৰে। লগতে জাতীয় সংগঠনসমূহৰ দাবী অনুসৰি ৰাজ্যৰ বিভিন্ন স্থানত বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত সাতটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ কথাও তেওঁ ঘোষণা কৰে। আনহাতে, স্থানীয় বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই বাৰেকুৰি অঞ্চলত এটি পুথিভঁৰাল নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

অসম মৰাণ সভাৰ সভাপতি ধৰ্মেন্দ্ৰ নেওগে সভাপতিত্ব কৰা আজিৰ এই মুকলি সভাত অসম মৰাণ সভাৰ উপদেষ্টা তৰুণ মাধৱ মৰাণেও ভাষণ প্ৰদান কৰি বীৰ ৰাঘৱ মৰাণ দিৱসৰ ঐতিহ্য আৰু মৰাণ জনগোষ্ঠীৰ ইতিহাসৰ বিভিন্ন দিশ বিস্তৃতভাৱে অৱলোকন কৰে। অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰীয়ে বীৰ ৰাঘৱ মৰাণ দিৱস উপলক্ষে প্ৰস্তুত কৰা এখন স্মৃতিগ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, স্থানীয় বিধায়ক সুৰেন ফুকনৰ লগতে বিধায়ক বলীন চেতিয়া আৰু ঋতুপৰ্ণ বৰুৱা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণ, মৰাণ সাহিত্য সভাৰ সভাপতি অৰুণ বৰুৱা মৰাণৰ লগতে মৰাণ জনগোষ্ঠীৰ বিভিন্ন জাতীয় সংগঠন যেনে- মৰাণ জাতীয় মহিলা পৰিষদ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ কেন্দ্ৰ, মৰাণ কলা-সংস্কৃতি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বিকাশ কেন্দ্ৰ আদিৰ বিষয়ববীয়াসকল তথা বাৰেকুৰি অঞ্চলৰ স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে এই মুকলি সভাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ১২১ বছৰীয়া ঐতিহাসিক হাপজান বৰনামঘৰত উপস্থিত হৈ ৰাজ্যবাসীৰ সুখ-সমৃদ্ধি কামনাৰে ভকত-বৈষ্ণৱসকলৰ আৰ্শীবাদ গ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**১৯/১১/২০২০**